
# পাঠ - ৫
# পানী

পানী আমাৰ অতি প্ৰয়োজনীয়। সকলো প্ৰাণীকে জীয়াই থাকিবলৈ পানী লাগে। পানী নহ'লে গছ-গছনিও জীয়াই থাকিব নোৱাৰে।



কিছুমান উদ্ভিদ পানীৰ ওপৰত হয়।

যেনে- পুণী আৰু মেটেকা। পদুম আৰু ভেঁট আকৌ পানীৰ তলৰ বোকা মাটিতহে হয়।


মাছ, কাছ, ঘঁৰিয়াল আদি পানীত থকা প্ৰাণী।

**পানী নহ'লে কোনো জীৱই জীয়াই থাকিব নোৱাৰে। সেইবাবে পানীক জীৱৰ প্ৰাণ বোলে।**

**পানী আমি ক'ৰ পৰা পাওঁ জানানে?**

বৰষুণ, খাল, বিল, পুখুৰী, হ্ৰদ, নদ-নদী, জান-জুৰি সাগৰ-মহাসাগৰ আদিৰ পৰা আমি পানী পাওঁ।







মাটিৰ তলতো পানী থাকে।

দমকল আৰু কুঁৱাৰ পানী আমি মাটিৰ তলত থকা নিজৰাৰ পৰা পাওঁ।

এই সকলোবোৰেই হৈছে পানীৰ উৎস।





## পানী আমাৰ কি কি কামত লাগে চাওঁ আহা—












জানি লওঁ আহা—

- খৰালি কালত বৰষুণ কম হোৱাৰ বাবে কুঁৱা, খাল, বিল, পুখুৰী, নৈ আদিত পানীৰ পৰিমাণ কমি যায়।
- সকলো পানীয়েই খোৱা বা আন কিছুমান কামৰ বাবে উপযোগী নহয়। পানীৰ নাটনি নহ'বৰ বাবে আমি প্ৰয়োজনীয়খিনিহে ব্যৱহাৰ কৰিব লাগে।

**ঘৰত কৰিবলগীয়া ক্ৰিয়া-কলাপ**

তলত উল্লেখ কৰা যিকোনো এটা কাৰ্য শিক্ষকে শ্ৰেণীকোঠাত শিশুসকলৰ আগত কৰি দেখুৱাব

ড্ৰপাৰ, চামুচ, কাপ, মগ আৰু কলহৰ সহায়ত কৰি চোৱা—



ড্ৰপাৰৰ পৰা কেইটোপাল পানী দিলে চামুচখন ভৰ্তি হ'ব?



কেই চামুচ পানী দিলে কাপটো ভৰ্তি হ'ব?



কিমান কাপ পানী দিলে মগটো ভৰ্তি হ'ব?



কিমান মগ পানী দিলে কলহটো পানীৰে ভৰ্তি হ'ব?

নলীৰ মাজেৰে পানী যোগান ধৰা কেতিয়াবা দেখিছানে? কাষৰ ছবিখনলৈ চোৱা। নলীৰ পৰা পানী উলিয়াই ল'বৰ বাবে ঠায়ে ঠায়ে একোটা পানী-কল লগোৱা থাকে।



**ভাবি চোৱা—**

- পানী কলৰ পৰা টোপ-টোপকৈ পানী পৰিলে কিমান পানী এনেয়ে যাব পাৰে?
- আমি এটোপ এটোপকৈ সংগ্ৰহ কৰি কিমান পানী পাব পাৰোঁ?

➢ শীতকালত পানীৰ উৎসবোৰত পানী কমি যায়। পানী কমি যোৱাৰ কাৰণ কি বুলি ভাবা কোৱা।

**জানি লওঁ আহা—** এবাৰ ব্যৱহাৰ কৰা পানীখিনি পুনৰ ব্যৱহাৰ কৰি কম পানীৰে চলিব পাৰি।

প্ৰথম বাৰ ব্যৱহাৰ



দ্বিতীয় বাৰ ব্যৱহাৰ



ফল-মুল, শাক-পাচলি, চাউল-দাইল ধোৱা পানী পেলাই নিদি গছৰ পুলি, ফুল ৰোৱা টাবত দিব পাৰি।






কাপোৰ আওডালা পানীখিনি নেপেলাই গা ধোৱা ঘৰ, পকী চোতাল চাফা কৰা আদি কামত ব্যৱহাৰ কৰিব পাৰি।




খোৱা পানী পৰিষ্কাৰ পাত্ৰত ৰাখি ঢাকি থ'ব লাগে। ডাঙৰ পাত্ৰৰ পৰা খোৱা পানী উলিয়াওঁতে দীঘল নাল থকা মগ ব্যৱহাৰ কৰিব লাগে যাতে পানীত আঙুলি বা হাত নালাগে।

➤ পানী ভৰাই ৰাখিবলৈ ব্যৱহাৰ কৰা পাত্ৰবোৰত ৰং কৰা—





পানী কিদৰে দূষিত হয় ছবিখন চাই বুজোঁ আহা—



- পুখুৰীত গা ধুলে, কাপোৰ ধুলে, গৰু-ম'হ পানীত নামিলে আৰু লেতেৰা বস্তু পানীত পেলালে পানী দূষিত হয়।
- কল-কাৰখানাৰ পৰা ওলোৱা পানী নদ-নদী, জান-জুৰি আদিত পৰিলে পানী দূষিত হয়।
- দূষিত পানী খোৱাৰ ফলত নানা ধৰণৰ বেমাৰ যেনে- কলেৰা, টাইফয়দ, জণ্ডিছ, গ্ৰহণী আদি হ'ব পাৰে।

**কুঁৱা আৰু দমকলৰ চাৰিওফালে পকী ঘেৰ আৰু নলাৰ ব্যৱস্থা থাকিলে তেনে পানী খোৱাৰ বাবে নিৰাপদ।**

## অনুশীলনী

১) উত্তৰ লিখা—

(ক) কি কি উৎসৰ পৰা পানী পোৱা যায় ?

(খ) তোমালোকৰ গাঁও বা চহৰৰ মাজেৰে কোনো নদী বৈ গৈছে নেকি ? যদি গৈছে তাৰ নাম লিখা।

(গ) তোমালোকৰ অঞ্চলত বা ওচৰ-পাঁজৰে থকা বিল, জান-জুৰিৰ নাম লিখা।

২) তলৰ শব্দ শৃংখলটোত থকা পানীৰ উৎসবোৰ বাচি উলিয়াই তাত ○ চিনেৰে ঘেৰ দিয়া-

| | | | | | |
|---|---|---|---|---|---|
| নি | অ | ই | সা | গ | ৰ |
| জ | প | দ | ম | ক | ল |
| ৰা | ন | হ্ল | ম | ব | বি |
| এ | দী | দ | ঐ | য | ল |
| খা | ট | ড | পু | খু | ৰী |
| ল | ধ | ব | ৰ | ষু | ণ |



৩) পানী ব্যৱহাৰ হোৱা তিনিটা কামৰ বিষয়ে লিখা।

৪) পানী ব্যৱহাৰ নকৰাকৈ কৰিব পৰা তিনিটা কামৰ বিষয়ে লিখা ।

৫) তলত দিয়াবোৰত অমিলটো বাছি উলিয়াই তাত ○ চিনেৰে ঘেৰ দিয়া —

(ক) গা-ধোৱা, কাপোৰ ধোৱা, সাঁতোৰা, মূৰ ফণিওৱা।

(খ) নদী, পাহাৰ, পুখুৰী, নিজৰা, বিল

(গ) মাছ, হাঁহ, বান্দৰ, ঘঁৰিয়াল, কাছ

(ঘ) জাহাজ, নাও, ৰে'লগাড়ী, ফেৰী

(ঙ) নাৰ্জী, পদুম, ভেঁট, মেটেকা,

৬) তোমাৰ ঘৰৰ খোৱা পানী ক'ৰ পৰা সংগ্ৰহ কৰা ?

৭) পানী দূষিত হোৱাৰ তিনিটা কাৰণ লিখা।

৮) কাষৰ ছবিখনত ৰং কৰা—

